# 1st Senior Officials' India-France-Australia Trilateral Dialogue

September 09, 2020

---

# ভাৰত-ফ্ৰান্স-অষ্ট্ৰেলিয়াৰ জ্যেষ্ঠ বিষয়া-বৰ্গৰ প্ৰথম ত্ৰি-পাক্ষিক বৈঠক

ছেপ্টেম্বৰ 09, 2020

প্ৰথমখনি ভাৰত-ফ্ৰান্স-অষ্ট্ৰেলিয়া ত্ৰি-পাক্ষিক বৈঠক ছেপ্টেম্বৰ 09, 2020ৰ দিনা ভাৰ্চুৱেলি অনুষ্ঠিত হয়। এই বৈঠকখনি ভাৰতৰ বৈদেশিক সচিব হৰ্ষবৰ্ধন শ্ৰীংলা ফ্ৰান্সৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মহাসচিব মি. ফ্ৰান্কইচ ডিলাত্ৰে, অষ্ট্ৰেলিয়াৰ বৈদেশিক পৰিক্ৰমা আৰু বাণিজ্য বিভাগৰ সচিব ফ্ৰান্সিচ আডমচনৰ সহ-অধ্যক্ষতাত অনুষ্ঠিত হয়। এই বৈঠকৰ মূল কেন্দ্ৰ আছিল ইণ্ডো-পেচিফিক অঞ্চলৰ সমন্বয়তা বৃদ্ধি কৰা।

এই বৈঠকৰ সময়ত, তিনিওটা পক্ষই ইণ্ডো-পেচিফিক অঞ্চলৰ অৰ্থনৈতিক, ভূ-ৰণনীতি কেন্দ্ৰিক প্ৰত্যাহবান আৰু সমন্বয়তাৰ বিষয়সমূহ, বিশেষকৈ ক'ভিড-19 মহামাৰী আৰু এই মহামাৰীৰ প্ৰতি ঘৰুৱা প্ৰতিক্ৰিয়াসমূহৰ ওপৰত আলোচনা কৰে। আচিয়ান, আয়'ৰা আৰু ইণ্ডিয়ান অচ'ন কমিছন আদি আঞ্চলিক সংস্থাসমূহৰ লগতে মেৰিন গ্ল'বেল কমনছ ক্ষেত্ৰত সহযোগিতা আৰু ত্ৰি-পাক্ষিক আৰু আঞ্চলিক স্তৰত ব্যৱহাৰিক সহযোগিতাৰ কাৰণে সাম্ভাব্য ক্ষেত্ৰসমূহৰ ওপৰতো আলোচনা কৰা হয়। বহু-পাক্ষিকতাক অধিক সবল আৰু সংশোধন কৰাৰ উৎকৃষ্ট উপায়সমূহৰ লগতে, তিনিওখন দেশে আঞ্চলিক আৰু বিশ্বজনীন বহু-পাক্ষিক প্ৰতিষ্ঠানসমূহৰ প্ৰাধান্যতা, প্ৰত্যাহ্বান আৰু প্ৰৱণতাসমূহৰ ওপৰতো মত বিনিময় কৰে।

এই ফলাফলমুখী বৈঠক এক শক্তিশালী দ্বি-পাক্ষিক সম্পৰ্ক স্থাপন কৰাৰ উদ্দেশ্যে অনুষ্ঠিত কৰা হৈছিল যাতে তিনিওখন দেশে পৰস্পৰৰ সৈতে মত বিনিময় কৰিব পাৰে আৰু তেওঁলোকৰ নিজস্ব শক্তিসমূহক সহযোগ কৰি এখনি শান্তিপূৰ্ণ, সুৰক্ষিত, সমৃদ্ধিশালী আৰু শৃংখলাবদ্ধ ইণ্ডো-পেচিফিক ক্ষেত্ৰ গঠন কৰিব পাৰে। তিনিও পক্ষই এনে বৈঠক বাৰ্ষিক ভিত্তিত অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে।

**নতুন দিল্লী**
**ছেপ্টেম্বৰ 09, 2020**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.